# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-02-2026
**Time :** 18-00 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা শনিবাৰে বিমানেৰে অৱতৰণ কৰিবলগীয়া মৰাণৰ ৰাষ্ট্ৰীয় ঘাইপথত বায়ুসেনাৰ যুঁজাৰু বিমানৰ অনুশীলন।

২। ভোটদাতাৰ তালিকা সম্পৰ্কীয় ওজৰ-আপত্তি সন্দৰ্ভত ১৫ দিনৰ ভিতৰত জিলা দণ্ডাধীশৰ ওচৰত আবেদন জনাব পাৰিব বুলি মুখ্য নিৰ্বাচনী বিষয়াৰ প্ৰকাশ।

৩। উচ্ছেদ অভিযানত ৰাজ্যৰ ১ লাখ ২৫ হাজাৰৰো অধিক বিঘা ভূমি দখলমুক্ত। **আৰু**

৪। শিক্ষক বদলিকৰণৰ উদ্দেশ্যে গুৱাহাটীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ প'ৰ্টেল মুকলি।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে অহা শনিবাৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকী প্ৰথমে চাবুৱাস্থিত বায়ুসেনা ঘাটিত উপস্থিত হ'ব আৰু তাৰ পৰা মৰাণলৈ যাব। মৰাণত শ্ৰীমোদীয়ে জৰুৰীকালীন অৱস্থাত উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাবে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। অনুষ্ঠানৰ অংশ হিচাপে কেইবাখনো যুঁজাৰু বিমানেও ঘাইপথত অৱতৰণ কৰাৰ কথা। একাংশ বিমানে আকাশত উৰণ কৌশলো প্ৰদৰ্শন কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখন মুকলি কৰিব। মুকলিৰ পাছত প্ৰথম ১৫ দিন দলংখন যান-বাহন চলাচলৰ বাবে বন্ধ থাকিব। এই সময়ছোৱাত জনসাধাৰণে দলংখনেৰে খোজকাঢ়ি অহা-যোৱা কৰিব পাৰিব। দলংখনেৰে পহিলা মাৰ্চৰ পৰা বাহন চলাচল কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে।

শ্ৰীমোদীয়ে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং মুকলি কৰাৰ পাছত গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰিব আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে আমিনগাঁৱত হাইপাৰ স্কেল তথ্য কেন্দ্ৰ মুকলি কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰিব।

ooooo

ভোটদাতাসকলে নিৰ্বাচনী পঞ্জীয়ন  বিষয়াৰ কোনো সিদ্ধান্ত মনপুত নহ'লে ১৫ দিনৰ ভিতৰত জিলা দণ্ডাধীশৰ ওচৰত আবেদন জনাব পাৰিব। ইয়াৰ পাছতো সন্তুষ্ট নহলে ৩০ দিনৰ ভিতৰত মুখ্য নিৰ্বাচনী বিষয়াৰ

ওচৰত দ্বিতীয় আবেদন দাখিল কৰিব পৰা যাব বুলি ৰাজ্যৰ মুখ্য নিৰ্বাচন আয়ুক্ত অনুৰাগ গোৱেলে আজি গুৱাহাটীত এখন সংবাদমেলত সদৰি কৰে।

বাইট ঃ গোৱেল

ৰাজ্যত কালি প্ৰকাশ পোৱা বিশেষ সংশোধিত চূড়ান্ত ভোটাৰ তালিকা সন্দৰ্ভত মত প্ৰকাশ কৰি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে মাৰ্চৰ প্ৰথম সপ্তাহৰ নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব পাৰে বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে এইবছৰৰ ১ জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে লৈ প্ৰকাশিত বিশেষ সংশোধিত চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ৰাজ্যখনত মুঠ ভোটদাতাৰ সংখ্যা হৈছে ২ কোটি ৪৯ লাখ ৯৮ হাজাৰ ১৩৯। ৰাজ্যত ভোটদাতাৰ সংখ্যা খচৰা ভোটাৰ তালিকাতকৈ ২ লাখ ৪৩ হাজাৰ ৪৮৫ হ্ৰাস পাইছে। চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ৰাজ্যখনত মুঠ ১ কোটি ২৪ লাখ ৮২ হাজাৰ ২১৩ গৰাকী পুৰুষ ভোটদাতা আছে। ৰাজ্যখনত মহিলা ভোটদাতাৰ সংখ্যা হৈছে ১ কোটি ২৪ লাখ ৭৫ হাজাৰ ৫৮৩। ইয়াৰ উপৰি ৰাজ্যখনত ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে।

কালি ৰাজ্যখনৰ সকলো জিলা আয়ুক্তই সংশ্লিষ্ট জিলাসমূহৰ বাবে চূড়ান্ত ভোটাৰ তালিকা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। এই অনুসৰি দৰং জিলাৰ দলগাঁও বিধানসভা সমষ্টি ৩ লাখ ১৫ হাজাৰ ২৮৪ গৰাকী ভোটদাতাৰে সৰ্বাধিক ভোটদাতা থকা সমষ্টি হিচাপে পৰিগণিত হৈছে।

একেদৰে ১ লাখ ৯৭ গৰাকী ভোটদাতাৰে ১১২ নম্বৰ আমৰি বিধানসভা সমষ্টি সৰ্বনিম্ন ভোটদাতা থকা সমষ্টি হিচাপে বিবেচিত হৈছে। মানকাচৰ সমষ্টিত সৰ্বাধিক ৪০২ টা আৰু দুই নম্বৰ দতমা সমষ্টিত সৰ্বনিম্ন ১৪৬ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে।

০০০০০

ৰাজ্যৰ বিভিন্ন বনাঞ্চলত উচ্ছেদ চলাই ১ লাখ ২৫ হাজাৰ ৩২৬ বিঘা মাটি দখলমুক্ত কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মন্তব্য কৰে। দিছপুৰৰ লোকসেৱা ভৱনত সংবাদমেল সম্বোধন কৰি তেওঁ উচ্ছেদ সম্পৰ্কত বিস্তৃত তথ্য প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদমেলত কয়, যে এতিয়াৰ পৰা বনাঞ্চলত উচ্ছেদ চলোৱাৰ ক্ষেত্ৰত কোনো বাধা নাথাকিব। উল্লেখযোগ্য যে বনাঞ্চলত উচ্ছেদ চলোৱাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ অধিকাৰ আছে বুলি উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশনাৰ কথা তেওঁ সংবাদমেলত অৱগত কৰে। বনভূমিত চলোৱা উচ্ছেদ সম্পৰ্কে উচ্চতম ন্যায়ালয়ত তৰা গোচৰৰ ভিত্তিত ৩০০ গৰাকী আবেদনকাৰীৰ ভূমিত সৰ্বোচ্চ ন্যায়ালয়ে, ৰাজ্য চৰকাৰক উচ্ছেদ নচলাবলৈ নিৰ্দেশ দিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত নগাঁও আৰু গোলাঘাট জিলাত বনভূমিৰ ভালেমান এলেকাত ৰাজ্য চৰকাৰে উচ্ছেদ অভিযান বন্ধ ৰখা বুলিও মুখ্যমন্ত্ৰীয়ে সংবাদমেলত প্ৰকাশ কৰে।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শিক্ষক বদলিকৰণৰ উদ্দেশ্যে আজি এটা প'ৰ্টেল মুকলি কৰে। এখন সংবাদমেল যোগে  শিক্ষামন্ত্ৰী শ্ৰীপেগুৱে এই সম্পৰ্কে জানিবলৈ দিয়ে। তেওঁ কয়, যে অসমত আন ৰাজ্যৰ তুলনাত ৰাজহুৱা খণ্ডৰ শিক্ষানুষ্ঠানৰ সংখ্যা অধিক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে বিভিন্ন সময়ত বদলিকৰণ বিচাৰে। ২০১৭ চনৰ পৰা ৰাজ্যত আন্তঃজিলা বদলিকৰণ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ বিষয়েও তেওঁ সংবাদমেলত উল্লেখ কৰে। ৰাজ্যৰ বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বদলিকৰণ আইনৰ ইতিমধ্যে সংশোধন কৰা হৈছে বুলি উল্লেখ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে বহিঃজিলাত কৰ্মৰত শিক্ষয়িত্ৰীসকলে নূন্যতম ৫ বছৰ আৰু

শিক্ষকসকলে ৭ বছৰ সেৱা আগবঢ়োৱাৰ পাছত বদলিৰ বাবে আবেদন কৰিব পাৰিব। দিব্যাংগ শিক্ষকৰ ক্ষেত্ৰত এই সময় ২ বছৰ ধাৰ্য কৰা হৈছে। স্বচ্ছ আৰু প্ৰযুক্তি চালিত বদলিকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে ২০২২ৰ পৰা ২০২৬ চনৰ ভিতৰত ৰাজ্যজুৰি ৪২ হাজাৰ ৮১৩ গৰাকী শিক্ষকৰ বদলি সম্পন্ন কৰা হৈছে বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

চলিত মাহৰ ভিতৰতে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত ৪ হাজাৰ ৫০০টা পদত শিক্ষক নিযুক্তি দিয়া হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। বিটিচিৰ পদ প্ৰাদেশিকীকৰণ আইন ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে পূৰ্ণ সহযোগ কৰিব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে।

০০০০০

জিলা কৃষি বিভাগ আৰু কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণ চমুকৈ আত্মাৰ উদ্যোগত শিৱসাগৰৰ পুৰণি পুথিভঁৰাল প্ৰাংগণত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে কৃষক মেলা অনুষ্ঠিত হৈছে। মেলাত কৃষি সামগ্ৰীৰ প্ৰদৰ্শন, কৃষি যান্ত্ৰিকীকৰণ, সঁজুলিৰ ব্যৱহাৰৰ লগতে কৃষি বিষয়ক বিভিন্ন প্ৰশিক্ষণৰ দিহা কৰা হৈছে। কাৰ্যসূচীৰ অংশ হিচাপে মত বিনিময় সভা, পুষ্পসজ্জা আৰু পিঠাপনা প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হৈছে। জিলা কৃষি বিষয়া অমৃত শইকীয়াই এইদৰে কয়---

বাইট (অমৃত শইকীয়া)

০০০০০

কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু কৃষি তথা কৃষক কল্যাণ দপ্তৰৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেটখন ঐতিহাসিক আৰু ভৱিষ্যমুখী বুলি আখ্যা দিছে। তেওঁ আজি গুৱাহাটীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয় যে এইবাৰৰ বাজেটত অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক বিকাশৰ চালিকা শক্তিৰূপে গঢ়ি তোলাৰ বাবে অভিলেখ পৰিমাণৰ ধন আবণ্টন দিয়া হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় বাজেট অনুসৰি অসমে কৰ হস্তান্তৰকৰণৰ অংশ হিচাপে ৪৯ হাজাৰ ৭২৫ কোটি টকা লাভ কৰিব আৰু বাজেটত আত্মসমৰ্পণ কৰা আলফা সদস্যসকলৰ পুনৰ সংস্থাপনৰ বাবে ৫০০ কোটি টকাসহ বিশেষ পেকেজৰ ব্যৱস্থা কৰা হৈছে। গুৱাহাটী আৰু ডিব্ৰুগড়ৰ উন্নয়নৰ বাবে বিশেষ পেকেজৰ অধীনত ৫ হাজাৰ কোটি টকা আবণ্টন দিয়া হৈছে বুলি শ্ৰীচৌহানে উল্লেখ কৰে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যসমূহৰ উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দি অহা অগ্ৰাধিকাৰ অনুসৰি উচ্চ প্ৰযুক্তিগত প্ৰয়োগৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচিত বিৰল খনিজ পদাৰ্থৰ বাবে অসমত এটা সুকীয়া কৰিডৰ বিকশাই তোলা হ'ব। তেওঁ কয় যে প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলক দেশৰ উন্নয়ন গাথাৰ চালিকা শক্তিৰূপে গণ্য কৰে আৰু এইবাৰৰ বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে ১১ হাজাৰ ৪৮৬ কোটি টকা আবণ্টন দিয়া হৈছে। তেওঁ লগতে দুখীয়া জনসাধাৰণক আত্মনিৰ্ভৰশীল কৰি তোলাৰ দিশৰ পৰা বাজেটখনক অতি গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে।

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে ২০২৬ ৰবি বৰ্ষৰ বাবে মূল্য সমৰ্থন আঁচনিৰ অধীনত ন্যূনতম সমৰ্থন মূল্যত ৬০ হাজাৰ ৫০০ মেট্ৰিক টন সৰিয়হ ক্ৰয়ৰ বাবে অসম চৰকাৰৰ প্ৰস্তাৱত অনুমোদন জনোৱা বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সংবাদমেলত সদৰি কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ